## ॥ ষোল্ল ॥

ভোগদৈ নদীৰ ৰাষ্ট্ৰীয় পথৰ দলংখন পাৰ হৈ গাঁতটোৰপৰা চকাটো বচাবলৈ লওঁতেই কোনোবাই চিঞৰি মাতিলে। ববষা অ ববষা আও বৰ ফুটনি হল দেই। ববষা শব্দটোৰ লগে লগে গাড়ীৰ গতি মন্থৰ হৈ পৰিছিল। তুফালৰপৰা তুজনী গাভৰু ছোৱালী ওচৰ চাপি আহিল। ববষানো কোনজনী চোৱাৰ হেপাঁহতে সি গাড়ী খন ৰখাই দিলে। পাইপ ৰেঞ্চদাল আনি বাওঁ হাতৰ আগ চকাৰ নাট কেইটাত টাইট দি সি লক্ষ্য কৰিলে। চাইৰা বানুৰ দৰে পাতল নীলা শাৰী পিন্ধা জনীয়েই ববষা। সি সিহঁতৰ কথোপ কথন শুনিবলৈ বনেটখন খুলি দাণ্ডি ধৰিলে। মন বলিয়া কৰিবপৰা ডেকালৰাটো দেখি সিহঁত তুজনীৰ গাত থৰকাচুটি হেৰাল।

আহু চাবা গধূলি

শালি চাবা পুৱা।

কথা পাতোতে ছোৱালী চাবা

কোন কেনেকুৱা।

কথাষাৰ কৈ ববষাই হাঁহিছিল। লাজ লাগিল তাৰ। কম গাভৰু নহয় এইজনী। এই জনীয়েই উকীলৰ ছোৱালীনে! বৰ ভাল নহব নেকি? গাভৰু ছোৱালী তুই তিনিজনী লগ হলে সিহঁতৰ হাতত আনবিক অস্ত্ৰ আছে বুলি ভাবে। সিহঁতৰ স্বভাব বান্দৰৰ নিছিনা। জাক বান্দৰে অকলে পালে আক্ৰমন কৰে। মাতৃ আজ্ঞা পালন কৰি সি ববষাক চাবলৈ আহিছিল। নাটকীয়ভাবে ববষাক বাটতে পাই গল। সিহঁতৰ আও ভাও বুজিবলৈ সি ইটো সিটো পিটিকি হাত তুখন লেতেৰা কৰি পেলালে। কিছুদুৰ গৈ হোটেল খনৰ সম্মুখত গাড়ীখন ৰাখি সি হাত তুখন ধুই পশ্চিমলৈ চালে। এজনী ফুট পাঠেদি

কৰিলে।

সিহঁত কোন?

নাজানো। তিনিজন উঠিব পৰা আসনত তিনিজনেই যাত্ৰী পাইছিলো। মইনো কোনে কাক বিচাৰিছে কেনেকৈ সুধিম? আপোনাৰ উপস্থিতিয়ে মোক আচৰিত কৰিলে।

বাৰু ব'লক আমাক জু ৰোদত থৈ আহকগৈ।

সিহঁত উঠাৰ লগে লগে অটোখন চলি গল। জু ৰোদত নিৰ্দ্দিষ্ট ঠাইত সিহঁত নামিল। ভাড়াটো দিয়াৰ লগে লগে চালকজনে কলে।

ক্ষমা কৰিব। মোক ভাড়া নালাগে। ইজনে সিজনক লগ পোৱাটো ক্ষন্তেক পলম হোৱা হলে মই ডাঙৰ জেমেলাত পৰিলো হেঁতেন। বাৰু আহিলো।

অটো চালক জনলৈ বেয়া লাগিল হীৰামনিৰ। সিহঁত দুয়ো ডাঃ আনন্দ আগৰৱলাৰ ফ্লেট টোলৈ সোমাই গল। নব বিবাহিত ডাক্তৰ দম্পতীৰ ফ্লেট টোৰ এটা পাৰ্টত দুজন মেডিকেল ছাত্ৰ থাকে। সোমাই যোৱাৰ লগে লগে নিৰ্ম্মল মিলিয়ে মাত দিলে।

বাছখন আহি পোৱাত পলম হৈছিল নেকি ভাস্কৰ?

আৰে ভাই নকবি; বহা হীৰা বিছনাখনতে বহাঁ। এওঁ মোৰ

ৰুমমেট নিৰ্ম্মল মিলি। চিচিবৰ মুখত ঘৰ।

নমস্কাৰ।

মিলিয়ে প্ৰতি নমস্কাৰ জনাই থাক ধৰলৈ সোমাই গল। হীৰামনিয়ে হাত মুখ ধুই মুখখন মচিলে। নিৰ্ম্মল মিলিয়ে ল'ক ছুটকুৰা মানৰ সৈতে চাহ একাপ দিলেহি।

চাহ খাব দেই।

ভাল বাৰু,। হীৰামনিয়ে কলে।

তই খাবি নেকি ভাস্কৰ?

আন।

ভাস্কৰৰ হাতত চাহ কাপ দি নিৰ্ম্মল আঁতৰি গল। সেইদিনা দেওবাৰ।

পাৰিব। কিন্তু বাইদেউ। তুমি ইমান টকা পাবা কত আৰু কেনেকৈ দিবা ?

তুমি আজি নিশ্চয় ঘূৰি গৈ হীৰামনিৰ ঘৰতে থাকিবালৈ। নাথাকিবা জানো ?

থাকিম।

মই কালিলৈ আবেলি এখন বেঙ্ক ড্ৰাফট দিম। তুমি নিশাৰ বাচত যাবগৈ পাৰিবা। যোৰহাটৰ প্ৰতিখন ফটো ষ্টুডিয়তে ৰবখা আৰু প্ৰতাপৰ ফটো আছে। দিবাকৰে যাক কিয় তাইক এৰি দিয়া নাই···

এইয়া মোৰ টকা। তুমিতো জানা মোৰ ছুজনী ভনী উঠন গাভৰু। মোক বিয়াদি সিহঁত ছুজনীক বিয়া দিয়াৰ কথা ভাবিছিল। আনে মোক বিয়া কৰালেও, মই বিয়া নহও। দেওভাই খণ্ডতে মোৰ গালৈ এই বিয়াৰ খৰছখিনি দলিয়াই দিছিল···

মোক কিয় দিবলৈ ওলাইছা বাইদেউ ?

তোমাৰ মাটিখিনি বেচাৰ দিনা মই সাক্ষী আছিলো ভাস্কৰ।

দিবাকৰক ভাস্কৰ বুলি পৰিচয় দি তোমাক শত্রু বুলি ভাবিছিলো। চাৰিশ কিল ধাৱাত পৰি দিবাকৰৰ লগত একেটা গড়ালত সোমাই প্ৰেম পীৰিতি কৰিবলৈ যোৱাৰ আগতে তোমাক মই ভাতৃ বুলি সাৱটি ধৰিলো। পৃথিৱীত ডেকা গাভৰুৰ বিয়াবোৰ নিজ বাচনীত খাতে হয় সেয়ে মোৰ কামনা··

মই যি দোষ কৰিলো ক্ষমা কৰিবা বাইদেউ।

মোৰ বিশ্বাস, বৃদ্ধা বয়সত হলেও মই দিবাকৰক লগ পামগৈ। তুমি একো দোষ কৰা নাই। মই বুজিছো ভাস্কৰ। চাইকেল মেৰামতি কৰি মজুৰি ধনেৰে তুমি দিবাকৰক কি কি কৰিলা। তাৰ এটা চাকৰি হোৱাৰ পাছত ধুমধামেৰে বিয়া এখন পাতিবলৈ কামনো মন মাৰাৰ। কিন্তু হঠাৎ মোক দেখি গৈছিলা···তোমাৰ খং উঠিবই। যা বে পুৰণি মানুহ···সেই পুৰণি অন্তৰত জানো নতুনৰ ঠাই পোৱা নাই···একিয়া

নিঃসঙ্গ জীৱন হীৰামনিৰ। এনে এটা আনন্দ উৎসৱৰ দিনা তাইৰ কাষত কোন

কোন বুলি সুধাৰখন খুলি ওলাই আহিল হীৰামনি। হীৰামনিক সাৰটি ধৰাই হুক হুক কৈ কান্দিবলৈ ধৰিলে। কান্দি কান্দি কলে।

ঠিক সময়তে পাইছিলোগৈ। প্ৰতাপ দাস বজাৰ কৰি ঘৰ

সোমাইছিল। মই গাড়ীৰপৰা নামিয়ে ঘড়ীৰ কাটাকেইদাল চাইছিলো। চাৰে আঠ বাজিছিল তেতিয়া। মোক অতিথি হিচাবে আদৰি নিছিল। তেওঁৰ লগত প্ৰদীপ ৰাজবংশীও থাকে একেটা অফিচতে চাকৰি কৰে। মোক চাহ তামোল দি ৰাজবংশীয়ে শুশ্ৰূষা কৰিছিল। কথা পাতোতে ৰাজবংশী আঁতৰি গৈছিল। প্ৰতাপ দাসে মোক কৈছিল।

কোনো চিন্তা নকৰিব। মই ৰবযাক ভাল পাইছিলো। এতিয়া মোৰ ভাল পোৱা জেদলৈ ৰূপান্তৰ হল। মইতো ওমৰ খায়াম নহয়। মই কবিতা লিখি মদিৰা পি কলিজাটো জলাই দিম কিয়? কবি যতীন দুৱৰাৰ দৰে অতীতক যৌৱনহে পাহৰি বুলি কবিতা নিলিখো। মই আকাশৰ ৰবযুণ আকাশতে ৰাখি দিম। ভোগলৈ দলঙৰ পৰা বাছ আস্থানলৈকে মোৰ পেহাদাৰ আছে। সিহঁতে কাম কাৰব। আপোনাৰ স্বামীক মই একো নকৰো। মই ৰবযাক পুৰণি মৰম দি সাৱটি ধৰিম। যদি পুৰণিক নেওচা দিবলৈ বল কৰে তেতিয়া বেলেগ কথা। ৰবযাক ধুমুহাৰ বুকুত এৰি বহুত দূৰলৈ উৰুৱাই দিম ··· প্ৰতাপৰ কথাত মোৰ বুকুখন কপিছিল। তেওঁ চিগাৰেট এটা জলাই কৈছিল।

আপুনি দিবাকৰক নিজেই বশ কৰিবনে মই সহায় কৰিব লাগিব?

মই লগ ধৰি বুজাম দাস। বাক মই যাওঁগৈ, নিশাও ভালে থিমি হল নহয়।

মই বিদায় লৈ মটৰখনত ষ্টাৰ্ট দিলো। বাহীৰ পথলৈ উঠাৰ আগতে গাড়ীৰ চকাই শব্দ কৰি উঠিল, টৰ্চৰ পোহৰত প্ৰতাপ দাসে চকাটো খুলি নিজ হাতে স্পেয়াৰ চকাটো লগাই দিছিল। মই ধন্যবাদ জনাই ষ্টাৰ্টিঙত ধৰোতেই কলে।

বাহিৰা টকা নালাগে কাক ?

কিন্তু মাছে মাছক খোৱাতো।

একো আচৰিত নহয়। মাছে মাছক প্ৰতিশোধ লবলৈ নাখায়। ভোকৰ কাৰণেহে খায়।

ক্ষুধিত ৰৰবাবুৱে যদি তোমাকো খায় পেলায় ?

নাখায়! খোৱাৰ সময় পাৰ হৈ গল। হীৰা হীৰা কৈ এসময়ত ৰৰকৈ চিঞৰিছিল। হীৰা এইখন টাইপ কৰা, এইখন ৰৰ জৰুৰী হীৰা। দুদিন মান মোৰ ভাড়া ঘৰলৈ আহি ইকৰাইলৰ যুদ্ধৰ পাতনি মেলিছিল। বহুত সময় কথা পতাৰ পিছত হীৰামনি ভাত ৰান্ধিবলৈ ৰান্ধনী ঘৰত সোমাল।

স্বপ্নাই বন্ধা কৰিটো কুটিবলৈ কটাৰীখন বিচাৰি মেজৰ ড্ৰয়াৰটো খুলি ভাস্কৰ আৰু দিবাকৰৰ যুগ্ম ফটোখন দেখি ৰ লাগি চাই থাকিল...

## ॥ উপত্ৰিংশ ॥

দেৱালীৰ দুদিনৰ পিছত ট্ৰেন্সফাৰ অৰ্ডাৰ লৈ হীৰামনি স্বপ্না সন্দিকৈৰ লগত গুৱাহাটীলৈ ওলাল। যাবৰ সময়ত স্বপ্না উচুপি উচুপি সৰু ছোৱালীৰ দৰে কান্দিছিল। তাই কৈছিল।

তুমি গুৱাহাটীলৈ ওলাইছা, তুমি চৰকাৰী চাকৰিয়াল হীৰা। ভাস্কৰৰ লগত নাথাকিলেও তুমি ভাড়া ঘৰ এটা নিশ্চয় পাবা। স্বাধীন চিড়িয়া গাভৰু তুমি। হোটেল এখনতো কিছুদিন থাকিব পাৰিবা। কিন্তু মই কৰিম কি? নাৰীও হীৰামনি তুমি অকলেই যোৱা গৈ।

তোমাৰ আশীহাজাৰ টকাৰ আমি উভয়েই ধৰুৱা। তোমাৰ যি কোনো বিপদ মুহূৰ্তত ৰক্ষা কৰা আমাৰ কৰ্ত্তব্য। ইবোৰ সিবোৰ নাভাবি আমি যাত্ৰা কৰাই ভাল হব।

স্বপ্না মান্তি হৈছিল। সিহঁত উভয়েই নাৰী হৈ জীৱনৰ কথা

ওকণি চাই থকা অনিতাই হীৰামনিক দেখি বহাৰ পৰা থিয় হ'ল।

ভালনে মা ?

ভাল। তুমি নিশাৰ বাছত আহিলা নেকি ?

হয়।

আহা, বহাঁ ইয়াতে বহাঁ। ৰ'বা মই চাহ কৰোগৈ।

চাহ কৰিব নালাগে মা।

কিয় ?

ভাস্কৰদা আছেনে ?

সি কলেজলৈ গল। সি নাই বুলিয়ে তুমি চাহ নাখাবা নে ?

নহয় মা! ভাস্কৰদা থকাহলে মই বাহিৰে বাহিৰে বস্তুবোৰ নি হোটেল এখনত থব পাৰিলোহেতেন।

হোটেলত থবা, কি বস্তু ?

মই ট্ৰেন্সফাৰ হৈ আহিছো। গুৱাহাটীত ভাড়াঘৰ লোৱাৰ আগতে হোটেলতে থাকিম।

তুমি ইয়াতে থাকিবা হীৰা। ভাস্কৰক মই জন্মহে দিলো। মানুহ কৰি তুলিলা তুমি। ৰবযাত কৈ স্বপ্না নিশ্চয় ভাল আছিল। মই অন্তৰ দৰে জাতৰ কথা ভাবিছিলো। তোমাৰ বস্তুবোৰ লৈ আহাগৈ হীৰা।

হীৰামনিয়ে প্ৰথম বাৰলৈ অনিতাৰ ভৰি চুই সেৱা কৰিলে। আনন্দতে বৈ অহা চকুলো মচি তাই কলে।

আপোনাৰ ধাৰণা ঠিক মা। ৰবযাতকৈ স্বপ্না ভাল। দেৱী আৰু দানৱীৰ দৰে তেওঁলোকৰ চৰিত্ৰ প্ৰকাশ পাইছে। পিছে এটা কথা মোৰ বস্তুবোৰ স্বপ্নাকে ৰখীয়া দি আহিছো। স্বপ্নাও জানো কিছুদিন আমাৰ লগতে থাকিব নোৱাৰিব ?

অনিতা নীৰৱ হৈ পৰিল। ভগবান! তুমি কি কৰিবলৈ লৈছা। হীৰামনিৰ লগত স্বপ্না আহিল কিয় ? বিভিন্ন কথা ভাবি থাকোতেই নীৰৱতা ভঙ্গ কৰি হীৰামনিয়ে কলে।

স্বপ্নাই এম এ পঢ়াৰ কথা ভাবিছে। তেওঁৰ বিয়াত মন নাই।

